দিনাংক- ২৪ ফেব্ৰুৱাৰী ২০১৪

# <u>এন ডি এ আৰু অন্তিম পৰ্য্যায়</u>

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

২০১৪ বৰ্ষৰ লোকসভা নিৰ্বাচনৰ দৌৰত, ৰাজনীতিৰ অনুমানৰ বতৰ আৰম্ভ হৈছে । কিছু লোকৰ নিজৰ বিবেচনা আৰু জনগণে দিয়া ইংগিতৰ ভিত্তিত দিল্লীত বহুতো খবৰ ওলাই আছে । ১৩ চেপ্তেম্বৰ ২০১৩ চনত বিজেপি য়ে যেতিয়া শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ নাম প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী হিচাপে ঘোষনা কৰিছিল তেতিয়া বহুতে কৈছিল যে এই দ'লে এজন ব্যক্তিক ৰূপাংকন কৰি সক্ষম হ'বনে ? লগতে যুক্তি দেখুওৱা হৈছিল যে চৰকাৰৰ বিৰুদ্ধে শাসনৰ বিষয়ত পিছ পৰি থাকিব আৰু নিৰ্বাচনত পক্ষ বিভাজন হ'ব । বিগত ২৫ বছৰ ধৰি চোৱা সভাৰ মাজত নৰেন্দ্ৰ মোদীৰ সভা আটাইতকৈ বৃহৎ আছিল । ১৯৮৯ চনৰ পৰা আমি দ'লৰ মাজৰ ইমান উৎসাহ কেতিয়াও দেখা নছিল । কেৱল ১৯৯৮ আৰু ১৯৯৯ ৰ নিৰ্বাচনত আমি বহুত উৎ সাহিত আছিলো যিহেতু সেইসময়ত আমি ভাৰতৰ ৰাজনীতিত প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী হিচাপে আগবঢ়োৱা অটলজী সকলোৰে গ্ৰহন যোগ্য প্ৰাৰ্থী আছিল । এই যুক্তিৰ দ্বিতীয় প্ৰশ্ন আছিল, বিজেপি ক কোনে সহযোগ কৰিব । কোনো নতুন দ'ল সংগঠনে বিজেপি ক যোগ কৰিব নেকি ? আমাৰ আন্তৰিক মতামত আছিল যে শক্তিশালী বিজেপি ক বহুতো সহযোগী দ'লে নিৰ্বাচনৰ আগত অথবা পাছত যোগদান কৰিব ।

কিছুদিন পূৰ্বে এ বি পি নিউজ চেনেলত প্ৰতিষ্ঠিত এজেঞ্চি এ চি নেলচনৰ দ্বাৰা জনমত সংগ্ৰহ কৰোৱাইছে । মই যদিও ইয়াৰ সঠিকতাক বিশ্বাস কৰা নাই, তথাপিও ভাবো যে এই জনমত সমীক্ষা জনগনে দিয়া ইংগিতহে ।

জনমত সমীক্ষাই কি দেখুৱাইছে ? নিকাভাৱে এইয়া স্পষ্ট হৈ গৈছে যে আগন্তক নিৰ্বাচনত এটা দ'লহে থাকিব যি সম্পূৰ্ণ বহুমত লাভ কৰিব । আশা কৰা হৈছে যে সেই দ'লে ২০০ ৰো ওপৰত আসন লাভ কৰিব । তেওঁলোকৰ সহযোগী দ'লেও কিছুমান আসন লাভ কৰিব । ভাৰতৰ উত্তৰ, মধ্য আৰু পশ্চিম ৰাজ্যত বিজেপি য়ে লাভ কৰা আসনৰ হাৰ বৃদ্ধি পাব । পূৱ আৰু দক্ষিণ স্থিত বিহাৰ আৰু কৰ্ণাটকত আমি পুন: শক্তিশালী হ'ম । আন ৰাজ্যত বিজেপি স্থিৰ থাকিব । বিজেপি বিহীন ৰাজ্যতো পৰম্পৰাগত দ'লেও, এই মোদী-বিজেপি ৰ সাফল্য অৰ্জন কৰা উৎসাহৰ বাবে লাভান্বিত হ'ব । আৰু বিজেপি য়েও কিছুমান আসন নিজৰ বলত লাভ কৰাত সক্ষম হ'ব ।

চৰকাৰ গঠন কৰিব'লৈ বহুতো সাজু হৈ আছে । বিজেপি শাসিত এন ডি এ এই দৌৰত প্ৰথম স্থানত আছে । এই নিৰ্বাচনত যদি কংগ্ৰেছ দ'ল দুটা সংখ্যাত সীমিত হয়, তেন্তে তেওঁলোকৰ বাবে এইয়া প্ৰকৃত পৰাজয় হ'ব । সহযোগী দ'লৰ মাজত কংগ্ৰেছ মুখ্য দ'ল হ'ব নোৱাৰে । ফ্ৰ'ণ্ট আৰু তৃতীয় ফ্ৰ'ণ্টৰ দাবীদাৰ বহুতো

আছে । এনে এটা দ'ল নাই যাৰ এটাতকৈ বেছি ৰাজ্যত দখল আছে । সেইবাবে আগশাৰীৰ দ'লৰ সকলো বাধা নেওচি পাৰ পোৱাতো বহুত গুৰুত্বপূৰ্ণ । এতিয়া প্ৰশ্ন উত্থাপন হৈছে, বিজেপি শাসিত এন ডি এ ৰ অন্তীম পৰ্য্যায় কেনেদ'ৰে পাৰ হ'ব ?

এতিয়া থিয়'ৰিটিকেল গণণাৰ সময় । ৰাজনীতিৰ পণ্ডিত সকলেও তেওঁলোকক সমৰ্থন কৰে । প্ৰকৃত সত্য যদি কোনোবাই অনুভৱ কৰে তেন্তে এইয়া স্পষ্ট হৈ যাব যে মোদীৰ সভাত বিশাল জনসমূদ্ৰই নিকা ইংগিত দিছে যে আগন্তুক নিৰ্বাচনত বিজেপি জয়লাভ নিশ্চিত । বহুত ৰাজ্যৰ সৰু সৰু দ'লে সিদ্ধান্ত ল'ব লাগিব যে তেওঁলোকে কাতৰ লগত আগবাঢ়িব বিচাৰিছে ? এনে দ'লে বিজেপি আৰু সহযোগী দ'লৰ ভোট বৃদ্ধি কৰা সহযোগ কৰিব । আন বহুতো ৰাজ্যত বলিষ্ঠ পৰাম্পৰাগত ৰাজনৈতিক দ'ল আছে যি নিজৰ ৰাজ্যত কংগ্ৰেছ বিহীন ৰাজনীতি কৰে । কেন্দ্ৰত কংগ্ৰেছক সহযোগ দিয়া অথবা নিদিয়া তেওঁলোকৰ বাবে দীঘলীয়া দিনৰ বিকল্প নহ'ব । এই সকলো দ'লৰ স্পষ্ট নিৰ্বাচনৰ এইয়া স্পষ্ট সময় । তেওঁলোক হয়তো এন ডি এ ৰ সৈতে যোগদান কৰিব লাগিব অথবা কংগ্ৰেছে দিয়া বিকল্প আকোৱালি ল'ব লাগিব । এই সকলো পৰম্পৰাগত দ'লৰ বাবে বিকল্প সীমিত আছে । মোদীৰ যোগ্যতা ৫০ শতাংশতকৈও অধিক । প্ৰত্যেক ৰাজ্যই ইয়াৰ পৰা প্ৰভাৱিত হৈছে । শেষত ক'ব বিচাৰো যে আমাৰ বাবে সকলো ঠিক হ'ব বুলি মোৰ দৃঢ় বিশ্বাস আছে ।